# যোগাযোগ

# JOGAJOG

**July : 2018**

**Vol : 10 No:10 Sl No: 117**

**Monthly Newsletter of Assam Association, Delhi**

*Edited By:*
**Hiron Dutta**
Ph: +91 8076347368, 9810452442

***This is a stopgap arrangement till Editor Dr Sangeeta Dutta, who is on leave, takes over again**
Email: editorjogajog@gmail.com

Graphics, Designing & Printing:
**Swarnagiri Services Pvt. Ltd**
Ph: +91 9873763811

*Published by:*
General Secretary
**Assam Association, Delhi**
**Srimanta Sankaradeva Bhawan**
**A-14B, Satsang Vihar Marg,**
**Qutab Institutional Area,**
**New Delhi - 110 067**
**Ph: 26510426 & 26537786**

E-mail: info@assamassociationdelhi.com,
assamassociationdelhi2015@gmail.com
Website : www.assamassociationdelhi.com

যোগাযোগ - ১১৭

জুলাই ঃ ২০১৮

## ৰাভা দিৱস উদ্‌যাপন ঃ মেধাৱী বিদ্যাৰ্থীক সম্বৰ্ধনা

অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত যোৱা ২০ জুনৰ দিনা সন্ধিয়া শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনত কলাগুৰু বিষ্ণু প্ৰসাদ ৰাভাৰ মৃত্যু তিথি উপলক্ষে ৰাভা দিৱস উদ্‌যাপন কৰা হয়।

ভৱনৰ প্ৰেক্ষাগৃহত আয়োজিত এই অনুষ্ঠানৰ আৰম্ভনীতে কলাগুৰু গৰাকীৰ এখন প্ৰতিচ্ছবিৰ সন্মুখত এগছি বন্তি প্ৰজ্জ্বলন কৰি পুষ্পাঞ্জলি তৰ্পন কৰে এছোচিয়েছনৰ সভাপতি সমন্বিতে উপস্থিত আন সদস্যসকলে।







সভাপতি শ্ৰী অচ্যুৎ কুমাৰ শইকীয়াদেৱে বিষ্ণু ৰাভা দিৱসৰ তাৎপৰ্য্য ব্যাখ্যা কৰি শিল্পীজনাৰ বিষয়ে এক মনোগ্ৰাহী বক্তব্য দাঙি ধৰে। সমজুৱাৰ ফালৰ পৰা শ্ৰী অমৃৎ জ্যোতি মহন্তদেৱেও কলাগুৰু ৰাভাদেৱৰ বিষয়ে কয়।

ৰাভাদেৱ বিৰচিত বিখ্যাত গীত “বিশ্বৰ ছন্দে ছন্দে মহানন্দে আনন্দে” গুঞ্জৰি উঠে শিল্পীসকলৰ সমৱেত কণ্ঠত।




কবিতা আবৃতি কৰে ডা. বিপুল কুমাৰ বৰুৱা আৰু শ্ৰীমতী তৃষ্ণা বৰকাকতিয়ে। মেণ্ডলিনত ৰাভা সংগীতৰ সুৰ তোলে ডা. বনজিৎ মজুমদাৰে। কেবাটাও ৰাভা সংগীত পৰিৱেশন কৰে নৱজ্যোতি গায়ন, সম্যক প্ৰসন্ন দাস, মূৰ্ছনা শৰ্মা, উৎপল কিৰাৰা, ৰিন্জা ৰিছা কৌশিক, অনন্যা দত্ত, শৰৎ বৰকাকতি, সুশোভন তালুকদাৰ, প্ৰণৱ দাস, নিকুমনি দত্ত আৰু বিনোদ ভৰদ্বাজে।

ইয়াৰ আগেয়ে সেই দিনাৰ অনুষ্ঠানৰ আন এটা আকৰ্ষণ আছিল সদ্যঘোষিত উচ্চ আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৯০ শতাংশৰো অধিক নম্বৰ লাভ কৰা ৰাজধানীৰ মেধাৰী অসমীয়া ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা। এছোচিয়েছনে জনোৱা গোহাৰিৰ প্ৰতি ৫ গৰাকী বিদ্যাৰ্থীৰ সঁহাৰি পোৱা গৈছিল যদিও সেইদিনা সম্বৰ্ধনা গ্ৰহণ কৰিবলৈ তিনিগৰাকী



বিদ্যাৰ্থীহে উপস্থিত আছিল। তেওঁলোক হ'ল দ্বাৰকাৰ **Basava International School**-ৰ পৰা দশম শ্ৰেণীৰ পৰীক্ষাত ৯২.২ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হোৱা অৰ্কিতা বৰুৱা (শ্ৰীমতী বৰ্ণালী বৰুৱা আৰু শ্ৰী জনাৰ্দন বৰুৱাৰ কন্যা), মন্দিৰ মাৰ্গৰ **St. Thomas Girls Sr. Sec. School** ৰ পৰা দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ৯৬.৪ শতাংশ নম্বৰ লৈ উত্তীৰ্ণ হোৱা অলংকৃতা চৌধুৰী (শ্ৰীমতী ৰশ্মি চৌধুৰী আৰু শ্ৰী প্ৰবিৰ চৌধুৰীৰ কন্যা), আৰু বসন্ত কুঞ্জৰ **Bloom Public School** ৰ পৰা দ্বাদশ শ্ৰেণীৰ পৰীক্ষাত ৯৩.৫ শতাংশ নম্বৰসহ উত্তীৰ্ণ হোৱা শুভলক্ষ্মী গোস্বামী (শ্ৰীমতী কৃষ্ণা গোস্বামী আৰু শ্ৰী ৰূপেন গোস্বামীৰ কন্যা)। এই মেধাৱী ছাত্ৰী কেইগৰাকীক এছোচিয়েছনৰ ফালৰ পৰা এটিকৈ উপহাৰ আৰু এখনকৈ অভিনন্দন পত্ৰ প্ৰদান কৰি ৰাজহুৱাভাৱে সম্বৰ্ধনা জনোৱা হয়।

শেহত এছোচিয়েছনৰ সাধাৰণ সম্পাদক শ্ৰী দীপক শইকীয়াৰ শলাগৰ শৰাইৰে সেইদিনাৰ এই ৰাভা দিৱস অনুষ্ঠানৰ সামৰণি মৰা হয়।

*(বাতৰি ডা. হৰেশ্বৰ ডেকাৰ সৌজন্যত)*

## দিল্লী শাখা সাহিত্য সভাৰ বতৰা

দিল্লী শাখা অসম সাহিত্য সভাৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ এখন সভা যোৱা ৩ জুনৰ দিনা শ্ৰীমন্ত শঙ্কৰদেৱ ভৱনত অনুষ্ঠিত হৈ যায়। শাখা সভাৰ সভানেত্ৰী ড. মলয়া খাওন্দৰ অধ্যক্ষতাত অনুষ্ঠিত এই সভাত সাংগঠনিক বিষয় লৈ আলোচনা হয়। ড. ৰীণা শৰ্মা আৰু শ্ৰীমতী মধুমায়া

ডেকাক কাৰ্য্যনিৰ্বাহকৰ নতুন সদস্যাৰূপে মনোনীত কৰা হয়। তদুপৰি শাখা সভাৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি অহা ২৫ ডিচেম্বৰ, ২০১৮ তাৰিখে শ্ৰীমন্ত শংকৰদেৱ ভৱনতে এখন বছৰেকীয়া সন্মিলন পাতিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়- য'ত অন্যান্য সকলৰ লগতে দিল্লীত পঢ়ি থকা অসমীয়া ছাত্ৰ-ছাত্ৰী সকলকো সামৰি লৈ অসমীয়া ভাষা-সাহিত্য বিষয়ক এক গভীৰ আলোচনা অনুষ্ঠিত কৰা হ'ব বুলি শাখা সভাৰ সূত্ৰই জনাইছে।



## এছোচিয়েছনৰ পৰৱৰ্তী অনুষ্ঠান

### ছেপ্টেম্বৰত গুৰুজনাৰ তিথি ঃ

অসম এছোচিয়েছন, দিল্লীৰ উদ্যোগত অনুষ্ঠিত হ'বলগীয়া পৰৱৰ্তী অনুষ্ঠানটো হ'ব- মহাপুৰুষ শ্ৰীমন্ত শংকৰ দেৱৰ তিৰোভাৱ তিথি। গুৰুজনাৰ এই তিৰোভাৱ তিথি পৰিছে অহা ২৫ ভাদ অৰ্থাৎ ইংৰাজী কেলেণ্ডাৰৰ মতে ১১ ছেপ্টেম্বৰ, ২০১৮ তাৰিখে।

**Packers & Movers**

**Assam Dooars Logistics**

Guwahati : 9864042023, 9854849637

Tinsukia : 9864147344, 9085107761

Bongaigoan :9864477616,9435021374

Delhi : Chaman Plaza, Opp : ISKCON, East of Kailash, New Delhi–110065

**Tel : 011-32621128, 9212248342, 9811348342**

(Service all Over North East)